# 2018-19

# Book Published as author or as editor

*1. Yugal Jyoti Borah.*

*GasborTomalokarNahay,(Poetical Collection)*




Marangi Mahavidyalaya

## কবিতাৰ কথা, আমাৰ কথা—

আধুনিক জীৱন শৈলীৰ লগত একাত্ম হ'ব নোৱাৰা প্ৰত্যেকজন সংবেদনশীল মানুহেই নিৰাপত্তাহীনতাত ভুগিবলৈ আৰম্ভ কৰাৰ প্ৰৱণতা এটা ক্ৰমাৎ বৃদ্ধি পাই আহিব ধৰিছে। স্বজন-স্বজাতি বা নিজৰ ওচৰতে আমি নিৰাপত্তাহীনতাত ভুগিবলৈ আৰম্ভ কৰিছোঁ। সংজ্ঞাহীন কিবা এক নিসঙ্গতা আৰু একাকীত্বই কোঙা কৰিবলৈ ধৰিছে আমাৰ সত্তা, আমাৰ বুদ্ধিমত্তা। প্ৰেম-ভালপোৱা, আৰ্থিক নিৰাপত্তা অথবা বহু কিছু আকাংক্ষিত প্ৰাপ্তিৰ পাছতো মনত ক্ৰমাৎ গাঢ় হ'বলৈ লৈছে নিৰাপত্তাহীনতা অথবা নিসঙ্গতাৰ অনুভৱ। এনে মূহুৰ্তবোৰতে বহু মানুহে হতাশাত সৰ্বশ্ৰান্ত হৈ নিজক তিলতিলকৈ শেষ কৰি দিয়ে। অৱস্থান কৰে এক পলায়নবাদী মানসিক জগতত। শিল্পী-সাহিত্যিকসকলে নিজৰ নিজৰ মাধ্যমেৰে সৃষ্টিশীলতাৰ মাজত নিমজ্জিত হৈ একান্তভাৱে অন্য এখন জগতত বিচৰণ কৰিব বিচাৰে য'ত খুব নিৰলে আৰু অন্তৰঙ্গতাৰে পাৰ কৰিব পাৰে আত্মকথনৰ কিছু বিৰল মুহূৰ্ত।

এই আত্মকথনৰ পাছৰ পৰ্বটোতেই বোধহয় সৃষ্টি হয় কাব্য চৰ্চা কৰাসকলৰ বাবে কবিতা কবিতা লগা কিছু অনুভৱ। এই অনুভৱবোৰে অন্য বহু লোকৰ দৰে আমাৰ মনৰ মাজতো এক বুজাব নোৱাৰা ওখল মাখল, এক বুজা-নুবুজা সুৰৰ সৃষ্টি কৰে, সেই সুৰবোৰে কেতিয়াবা নিজৰ মাজতে গানৰ দৰে গুণগুণায়; আৰু এই যে কবিতা কবিতা লগা সুৰীয়া অনুভৱবোৰৰ মাজত বুৰ গৈ থকাৰ মূহুৰ্তবোৰ— আচলতে এই মুহূৰ্তবোৰচোন আমাৰ বাবে কেৱল মধুৰতম মূহুৰ্ত হৈ উঠাই নহয়; আমাৰ জীৱন পথতো যেন এক নিৰাপদ বন্ধু হৈ ঠিয় দিয়ে। কাব্যচৰ্চাৰ এই মধুৰতম মূহুৰ্তবোৰে আমাক প্ৰদান কৰে আস্থাহীনতাৰ মাজতো এক গভীৰ আস্থা আৰু প্ৰশান্তি, নিৰাপত্তাহীনতাৰ মাজতো এক পৰিপূৰ্ণ নিৰাপত্তানুভূতি। ইয়াৰ পাছত নক'লেও হ'ব নিশ্চয় কবিতাৰ স'তে কবিৰ কিয় একাত্ম হোৱাৰ একান্ত ইচ্ছা।

বহু বিশ্ববিশ্ৰুত কবি সমালোচকে কবিতাৰ ওপৰত ভিন্ন মত প্ৰকাশ কৰি আহিছে। ৱৰ্ডচৱৰ্থে কবিতাক "উপচি উঠা আপোনা-আপুনি পাৰ বাগৰি যোৱা আবেগৰ ঢলেই

PRINCIPAL, I/c
Marangi Mahavidyalaya



Scanned by TapScanner

MMahanta
PRINCIPAL, i/c
Marangi Mahavidyalaya

Gasbor Tomalokar Nahay
A poetical collection composed by Yugal Jyoti Borah
& published by Pragjyotika Kabya Kanan, Golaghat,
on behalf of Golaghat Zila Xahitya Sanmilani.
Publisher's details
PRAGJYOTIKA KABYA KANAN,
(A Trust of Assamese Recitation & Culture).
No. 1. Borjangaon, Golaghat - 785610 ☎ 9401096676.
First Pulished : 25th November, 2018, Price:125/-

গছবোৰ তোমালোকৰ নহয়
যুগলজ্যোতি বৰা
প্ৰথম প্ৰকাশ ঃ ২৫ নৱেম্বৰ,২০১৮
© গ্ৰন্থস্বত্ব ঃ লেখকৰ দ্বাৰা সৰ্বস্বত্ব সংৰক্ষিত
**প্ৰকাশক ঃ** প্ৰাগজ্যোতিকা কাব্য কানন
(অসমীয়া আবৃত্তি আৰু সংস্কৃতিৰ শৈক্ষিক ন্যাস)
১ নং বৰজান গাঁও, গোলাঘাট - ৭৮৫৬১০
☎ ৯৪০১০৯৬৬৭৬
পৰিৱেশক ঃ প্ৰাগজ্যোতিকা (গ্ৰন্থ বিক্ৰেতা আৰু প্ৰকাশক), গোলাঘাট
☎ ৭৮৯৬৯৬২৭৩৪

প্ৰচ্ছদ আৰু অন্তৰ্ভাগৰ অলংকৰণ ঃ মনজিৎ ৰাজখোৱা
অক্ষৰ বিন্যাস ঃ জিণ্টু
মূল্য ঃ ১২৫ টকা
ছপা ঃ শৰাইঘাট অফ্‌চেট প্ৰেছ , বামুণীমৈদাম, গুৱাহাটী-২১

ISBN : 978-81-938651-9-4

---

No parts of this book may be reproduced in any form or by any means, electronic or mechanical, including photography, recording or by any information storage, without permission in writing from the author.

Scanned by TapScanner

PRINCIPAL, i/c
Marangi Mahavidyalaya

কবিতা" বুলি মত প্ৰকাশ কৰাৰ বিপৰীতে মেথিউ আৰ্ণল্ডে কৈছে "কবিতা জীৱন বীক্ষা"। ক'লৰিজেও মত প্ৰকাশ কৰিছে যে " উৎকৃষ্টতম শব্দপুঞ্জৰ উৎকৃষ্টতম বিন্যাসেই কবিতা।" শেহতীয়াকৈ কোৱা হৈছে কবিতা এক নিৰ্মিত শিল্প। এনেদৰেই পৃথিৱীৰ প্ৰত্যেকজন কবি-সমালোচকৰ বাবে কবিতাৰ সংজ্ঞা ভিন্ন। আমাৰো ভাবিবলৈ মন যায় প্ৰকৃততে কবিতাক কবিয়ে গঢ়ে নে কবিতাই কবিক গঢ়ে? একাগ্ৰতাৰে কবিতা চৰ্চা কৰি থকাসকলে অন্ততঃ এটা কথা স্বীকাৰ কৰিব যে কবিতাৰ সৃষ্টি আচলতে সময়, পৰিস্থিতি বা বিষয়বস্তু সাপেক্ষ। বহু কবিৰ বহু সাৰ্থক কবিতা স্বতঃস্ফুৰ্তভাৱেই একেটা বহাতেই সৃষ্টি হোৱাৰ বিপৰীতে সেই একেজন কবিয়েই যেতিয়া জনশ্ৰুতি, ইতিহাস বা অন্য কেনো জীৱন্ত কাহিনী নিৰ্ভৰ কবিতা সৃষ্টিত মনোনিৱেশ কৰে তেতিয়া নিশ্চয় 'কবিতাৰ নিৰ্মাণ'ৰ প্ৰাসঙ্গিকতাক ক'ৰবাত নহয় ক'ৰবাত মানি ল'বলৈ বাধ্য। আচলতে কবিতা সৃষ্টিৰ মুহূৰ্তটোৱেই এক অভিনৱ তাড়নাৰ ফলশ্ৰুতি বুলি আমি আন্তৰিকতাৰে বিশ্বাস কৰোঁ।

আমি অতি আন্তৰিকতাৰে এটা কথা বিশ্বাস কৰোঁ যে সাহিত্য সমাজ, সময় আৰু শিল্পবোধৰ প্ৰতিফলন, সাহিত্যৰ এটা প্ৰধান অংগ হিচাপে কবিতাও ইয়াৰ উৰ্দ্ধত নহয়। প্ৰতীক, চিত্ৰকল্প, উপমা, কল্পকাহিনীৰ বৰ্ণন বা বৌদ্ধিক শব্দ চয়ন— আধুনিক কবিতাত এই বৈশিষ্ট্য বিলাকৰ প্ৰয়োজনীয়তাৰ কথা মানি লৈও আমি নিজকে প্ৰশ্ন কৰা যুগুত নহ'বনে যে আচলতে কবিয়ে কাৰ বাবে কবিতা লিখে? কেৱল আত্মতুষ্টিৰ বাবে? বৌদ্ধিক মহলৰ সন্তুষ্টিৰ বাবে? নে সমাজৰ সকলো স্তৰৰ পাঠকক কিবা কিছু দিয়াৰ তাগিদাত কবিয়ে কাব্য-চৰ্চা কৰে? সকলোৰে বাবে ইয়াৰ উত্তৰ ভিন্ন হোৱাতো স্বাভাৱিক। আমাক যদি সোধা হয় আমি ক'ম মানুহৰ মাজৰ এজন হিচাপে আমি কবিতা লিখোঁ মানুহৰ স্বাৰ্থত। সৰ্বস্তৰৰ সন্তুষ্টিৰ মাজতে স্ৰষ্টাই লাভ কৰে এক গভীৰ আত্মতুষ্টি। বিশিষ্ট সমালোচক বা বুদ্ধিমান পঢ়ুৱৈৰপৰা কবিতা কি বুজি নোপোৱা চহা মনৰ পঢ়ুৱৈজনৰ বাবেও আমি আমাৰ কবিতাৰ দায়বদ্ধতাক স্বীকাৰ কৰোঁ। সমাজৰ সকলো স্তৰৰ মানুহৰ সময়, সমাজ তথা শিল্পবোধৰ ওপৰত আছে নিজস্ব অনুৰাগ। স্বাভাৱিকতে দুৰ্বোধ্যতাৰ মায়াজালৰপৰা মুক্ত কৰি কবিতাক সৰ্বস্তৰৰ পঢ়ুৱৈৰ মাজলৈ লৈ যোৱাৰ দুৰ্বাৰ এক আকাংক্ষাৰে গঢ়ি তুলিবলৈ চেষ্টা কৰিছোঁ এক সহজ-সৰল প্ৰকাশ শৈলী য'ত শিল্পৰূপ অটুট ৰাখিও আমি পঢ়ুৱৈক কবিতাৰ সাৰকথা সহজে বুজাব পাৰোঁ। সমাজ, সংস্কৃতি তথা শিল্পৰ প্ৰতি সচেতন পাঠক সদায়েই সৃষ্টিশীলতাৰ ওচৰত দায়বদ্ধ। কোনো 'ইজম্', বা 'ফৰ্ম'ৰ ওচৰত নহয়।

আমিও স্বাভাৱিকতে এইসকল সামাজিকভাৱে দায়বদ্ধ পাঠকৰ ৰসাস্বাদন তথা বৌদ্ধিক দক্ষতাৰ প্ৰতি অধিক সচেতন। আৰু সেয়ে খুব বুদ্ধিমান পাঠকে আমাৰ কবিতাত হয়তো কোনো নতুনত্ব অনুভৱ নকৰিব বা বহু সময়ত হয়তো বহু কবিতাক কবিতা বুলি মানি ল'বলৈও টান পাব। যিসকল লোকৰ সুখ-দুখ, প্ৰাপ্তি-অপ্ৰাপ্তিৰ কথা আমাৰ কবিতাৰ



উৎস, সেই সকল মানুহেই যদি আমাৰ কবিতা নুবুজে, তেন্তে কবি হিচাপে আমাৰ সাৰ্থকতা ক'ত? সেয়ে ঐকান্তিকভাৱে আমি সদায় পাঠকৰ স'তে আত্মীয়তা গঢ়ি তোলাৰ স্বাৰ্থতে কবিতাৰ কোনো জটিল 'ইজম্' বা 'ফৰ্ম' নামানি সাধাৰণ পাঠকৰ ৰুচি-অভিৰুচি বা কথনভঙ্গীক অতি সৰলতাৰে উপস্থাপন কৰাৰ চেষ্টা কৰিছোঁ। কবিতাৰ মাজেৰে কবিসকলে ব্যক্তিগত দৰ্শন প্ৰকাশ কৰি পাঠকক বিমোৰত পেলোৱাৰ যি আধুনিক প্ৰৱণতা, সেয়া অন্ততঃ আমি এৰাই চলিবলৈ পাৰ্যমানে চেষ্টা কৰিছোঁ।

কবিতা সংকলন এটা প্ৰকাশ কৰি পাঠক সমাজলৈ আগবঢ়াই দিব পৰাকৈ আমি যে পৰিপক্ক হৈ উঠা নাই সেই কথা অনুধাৱন কৰিও প্ৰকাশ কৰিছোঁ একমাত্ৰ নিজৰ জীৱন পৰিক্ৰমাৰ ভিন্ন ভাৱনাক লিপিবদ্ধ কৰি থোৱাৰ স্বাৰ্থৰ লগতে পাঠক সমাজক মোৰ অনুভৱৰ স'তে চিনাকি কৰি দিয়াৰ মানসেৰে। কাৰণ সংকলনৰ কবিতাসমূহত ব্যক্তিগত অভিজ্ঞতাতকৈ মোৰ চিনাকী মাটি, মানুহ আৰু মানুহৰে সংপৃক্ত সুখ-দুখ, প্ৰেম-প্ৰতিবাদ, পথাৰ-নৈ আদি বিষয়সমূহক বেছি প্ৰধান্য দিয়াৰ চেষ্টা কৰা হৈছে। যৌৱনত ভুমুকি মৰাৰ বয়সৰপৰাই লিখা বহু কবিতাইও এই সংকলনত স্থান পাইছে। সেয়ে বহু কবিতাত চিন্তা তথা অভিজ্ঞতাৰ অপৰিপক্কতাৰ চাপ থকাতো অকপটে স্বীকাৰ কৰিছোঁ। অনিচ্ছাকৃতভাৱে পাঠকক দিয়া আমনিৰ বাবে আমি ক্ষমাপ্ৰাৰ্থী। পাঠক সমাজে সংকলনটি আদৰি ল'লে উৎসাহিত হ'ম। যিসকল শুভাকাংক্ষীৰ বাবে সংকলনটি প্ৰকাশৰ বাবে অনুপ্ৰাণিত হ'লো সেইসকল কবিতানুৰাগীলৈ কৃতজ্ঞতা জনাইছোঁ।

— যুগলজ্যোতি বৰা

PRINCIPAL, i/c
Marangi Mahavidyalaya

Scanned by TapScanner

PRINCIPAL, i/c
Marangi Mahavidyalaya